লৌহিত্য সাহিত্য সেতু: সহযোগী বিদ্বানৰ দ্বাৰা পুনৰীক্ষিত দ্বিভাষিক ই-আলোচনী
বৰ্ষ: ৩; সংখ্যা: ৪; জানুৱাৰী-জুন, ২০২২

# ‘তগৰ’ আৰু ‘মেনকা’: অসমীয়া উপন্যাসৰ দুই ভিন্ন নাৰী

✍ ড° হিৰুমনি কলিতা

**১.০০ প্ৰস্তাৱনা :**

ঊনবিংশ শতিকাৰ শেষ দশকত অসমীয়া সাহিত্যত উপন্যাসৰ শুভাৰম্ভ ঘটে। ‘অৰুনোদই’ যুগত খ্ৰীষ্টান মিছনেৰী সকলে খ্ৰীষ্টধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে ৰচনা কৰা দুই এটি কাহিনীত উপন্যাসৰ লক্ষণ দেখা গৈছিল যদিও সেইবোৰক প্ৰকৃত অসমীয়া উপন্যাস হিচাপে স্বীকৃতি দিব নোৱাৰি। জন বানিয়াৰৰ Pilgrim's Progress-ৰ অনুবাদ জাত্ৰিকৰ যাত্ৰা, এ.কে. গাৰ্ণিৰ কামিনীকান্ত, এলোকেশী বেশ্যাৰ বিষয়, শ্ৰীমতী গাৰ্ণিৰ ফুলমণি আৰু কৰুণা আদি উপন্যাসৰ লক্ষণ সম্বলিত কাহিনীসমূহ প্ৰকাশ হৈছিল যদিও এইবোৰ আধুনিক অসমীয়া উপন্যাস নহয়। এই কাহিনীসমূহ যথাৰ্থতে আছিল উপন্যাসৰ গঢ়ত লিখা ৰূপক আখ্যান মাত্ৰ। সেইদৰে, হেমচন্দ্ৰ বৰুৱাৰ বাহিৰে ৰং চং ভিতৰে কোৱাভাতুৰীকো প্ৰকৃত অসমীয়া উপন্যাসৰ পৰিৱৰ্তে উপন্যাসৰ লক্ষণাত্মক ৰচনাহে বুলিব পাৰি। অসমীয়া উপন্যাসৰ ঘাই ইতিহাস আৰম্ভ হৈছে 1891 খ্ৰীষ্টাব্দৰ পৰা। 1891 চনত ‘জোনাকী’ত প্ৰকাশিত লক্ষ্মীনাথ বেজবৰুৱাৰ পদ্মকুমাৰী (পিছলৈ পদুমকুঁৱৰী) আৰু ‘বিজুলী’ত প্ৰকাশিত পদ্মনাথ গোহাঞিবৰুৱাৰ ভানুমতীয়েই অসমীয়া উপন্যাস সাহিত্যৰ প্ৰথম খোজ। তাৎপৰ্যপূৰ্ণ যে পদ্মনাথ গোহাঞিবৰুৱাৰ ‘লাহৰী’ (1892 চন) গ্ৰন্থকাৰে প্ৰকাশিত অসমীয়া প্ৰথম উপন্যাস।[১] 1894 চনত প্ৰকাশিত ৰজনীকান্ত বৰদলৈৰ ‘মিৰি-জীয়ৰী’য়ে অসমীয়া উপন্যাস সাহিত্যত নতুন দিগন্তৰ সূচনা কৰিলে। আকৌ, 1900 চনত প্ৰকাশ হোৱা বৰদলৈৰ ‘মনোমতী’য়ে উপন্যাসৰ সকলো গুণেৰে সমৃদ্ধ হৈ অসমীয়া উপন্যাস সাহিত্যৰ ভেঁটি সুদৃঢ় কৰিলে। বৰদলৈৰ পৰৱৰ্তী সময়ছোৱাত শৰৎ চন্দ্ৰ গোস্বামী, দৈৱচন্দ্ৰ তালুকদাৰ, দণ্ডিনাথ কলিতা, চন্দ্ৰপ্ৰভা শইকীয়ানী আদি সাহিত্যৰ সাধকসকলে অসমীয়া উপন্যাসৰ ধাৰাটোক গতি প্ৰদান কৰে।

1944 চনটো অসমীয়া উপন্যাসৰ সৃষ্টিশীলতাৰ এটি উল্লেখযোগ্য বছৰ। এই বছৰতে ড° বিৰিঞ্চি কুমাৰ বৰুৱাই ‘বীণা

বৰুৱা' ছদ্মনামেৰে তেওঁৰ যুগান্তকাৰী সৃষ্টি 'জীৱনৰ বাটত' প্ৰকাশ কৰে। লোকসমাজৰ সকলো উপাদানেৰে গঠিত স্বৰাজপূৰ্ব অসমীয়া গ্ৰাম্য সমাজৰ পটভূমিত সৃষ্ট 'জীৱনৰ বাটত' উপন্যাসখনকে অসমীয়া সাহিত্যৰ প্ৰথম সৰ্বাংগসুন্দৰ, সাৰ্থক আধুনিক উপন্যাস বুলি পণ্ডিতসকলে স্বীকাৰ কৰিছে। পৰৱৰ্তী সময়ত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ দ্বাৰা সম্পাদিত 'ৰামধেনু' আলোচনীৰ প্ৰকাশৰ লগে লগে ন ন ঔপন্যাসিকৰ সৃষ্টি হ'ল আৰু তেওঁলোকৰ বৈচিত্ৰময় উপন্যাসসমূহে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিলে। ড° ভবেন্দ্ৰ নাথ শইকীয়া তেওঁলোকৰ ভিতৰত অন্যতম। 'অন্তৰীপ' শইকীয়াৰ ৰচিত এখন উল্লেখযোগ্য উপন্যাস।

মন কৰিবলগীয়া যে 'জীৱনৰ বাটত' আৰু 'অন্তৰীপ' দুয়োখনেই নাৰী চৰিত্ৰ প্ৰধান উপন্যাস। দুয়োখনতেই দুগৰাকী নাৰীৰ জীৱন আৰু মানসিক অৱস্থাৰ বিশ্লেষণ কৰা হৈছে।

**২.০১ 'জীৱনৰ বাটত' উপন্যাসৰ 'তগৰ' :**

বীণা বৰুৱাৰ 'জীৱনৰ বাটত' যুদ্ধোত্তৰ কালছোৱাৰ উপন্যাস সাহিত্যৰ সিংহদুৱাৰস্বৰূপ। এই উপন্যাসত অসমীয়া নিম্ন মধ্যবিত্ত শ্ৰেণীৰ ৰূপায়ণ আৰু অসমীয়া গাঁৱলীয়া চৰিত্ৰৰ অধ্যয়নত, পাৰিবাৰিক জীৱনৰ প্ৰাত্যহিক চিত্ৰাংকনত আৰু চৰিত্ৰৰ মানসিক অভিব্যক্তি প্ৰকাশ কৰাত লেখকৰ দক্ষতা উজ্জ্বলভাৱে প্ৰকাশ পাইছে। সমস্ত সামাজিক উপন্যাসৰ ভিতৰত জীৱন চিত্ৰণত এই উপন্যাসৰ লগত ফেৰ মাৰিব পৰা দ্বিতীয় এখন সহজে উলিয়াবলৈ টান হ'ব।[২] উপন্যাসখনত অনেক চৰিত্ৰৰ সমাবেশ ঘটিছে যদিও নায়িকা তগৰৰ জীৱনালেখ্য চিত্ৰিত কৰাটোৱেই ঔপন্যাসিকৰ মুখ্য উদ্দেশ্য।

উপন্যাসখনত তগৰৰ জীৱনটো দুটা দিশত ফুটাই তোলা হৈছে - জীয়ৰী আৰু বোৱাৰী ৰূপত। উপন্যাসখনৰ আৰম্ভণিতে মৰঙ্গি গাঁওৰ মৌজাদাৰ ভোগদত্ত শইকীয়াৰ বৰ জীয়েকৰ বিয়াত 'তগৰ' চৰিত্ৰটিৰ সৈতে পাঠকৰ পৰিচয় ঘটে। জীয়ৰী তগৰক দেখা গৈছে ৰাংঢালী ৰূপত, তাই লগৰীয়াৰ সৈতে হাঁহি-ধেমালি কৰি বিয়াৰ পৰিৱেশ ৰঙীন কৰি তুলিছে। এই বিয়াতেই তাইৰ গুৱাহাটীৰ কলেজীয়া ছাত্ৰ কমলাকান্তৰ সৈতে পৰিচয় হৈছে। এই পৰিচয় পিছলৈ প্ৰেমলৈ ৰূপান্তৰিত হৈছে আৰু কমলাকান্তই তগৰক আঙুঠি পিন্ধাই বিয়া কৰাব বুলি কথা দি বিদায় লৈছে। কিন্তু, কমলাকান্তই নিজৰ কথা ৰাখিব নোৱাৰিলে। বিধিৰ বিপাকত তগৰৰ উইভিং মাষ্টৰ ধৰণীৰ সৈতে বিয়া হয়। ইয়াতেই তগৰৰ জীয়ৰী জীৱনৰ সমাপ্তি ঘটি বোৱাৰী জীৱনৰ আৰম্ভণি হৈছে।

ধৰণীৰ সৈতে তগৰ ধৰণীৰ ঘৰলৈ আহিল। কিন্তু শাহুৱেকে তাইক সহজে আদৰি নল'লে। প্ৰথম অৱস্থাত তগৰ উপেক্ষিত হৈয়ে থাকিল। কিন্তু কমলিৰ জন্মৰ পিছত তগৰে

শাহুৰেকৰ পৰা বোৱাৰীৰ আদৰ পাবলৈ ধৰিলে। এনে সময়তে স্বৰাজ আন্দোলনৰ ঢৌৱে অসমৰ গাঁও-ভূঁই কঁপাই তুলিলে। ধৰণীও তগৰক অকলশৰীয়া কৰি এই আন্দোলনত ভাগ ল'বলৈ গ'ল আৰু কাৰাগাৰত সোমাল। অৱশেষত সি কাৰাগাৰৰ পৰা ওলাই আহিল যদিও ক্ষয়ৰোগত আক্ৰান্ত হ'ল আৰু এদিন সংসাৰৰ দুখ-সাগৰত তগৰক পেলাই থৈ গুচি গ'ল। পাঠশালা পাছ কৰা তগৰে মানুহৰ ঘৰত বোৱা-কটাৰ কাম কৰি পেট-প্ৰৱৰ্তাবলৈ ধৰিলে। এনেকৈয়ে, তাইৰ হাকিমনীৰ লগত এদিন চিনাকী হ'ল। কিন্তু, হাকিম কমলাকান্তৰ ঘৰ চুৰি হোৱাত পুলিচে তাইক গ্ৰেপ্তাৰ কৰে আৰু তাইৰ ঘৰৰ পৰা অতীতত কমলাকান্তই তাইক পিন্ধোৱা নামাংকিত সোণৰ আঙুঠিটো উদ্ধাৰ কৰে। আঙুঠিটো দেখাৰ পিছত কমলাকান্তৰ ভাৱলেশৰ বৰ্ণনাৰে উপন্যাসখনৰ সমাপ্তি ঘটিছে।

তগৰৰ জীৱনক কেন্দ্ৰ কৰিয়েই উপন্যাসখনৰ কাহিনী বিবৃত হৈছে। এই উপন্যাসখন ঔপন্যাসিকে স্বাধীনতাৰ পূৰ্বে ৰচনা কৰিছিল। সেইফালৰ পৰা তগৰ প্ৰাক্-স্বাধীনতা কালৰ অসমীয়া নাৰী। নাৰী আন্দোলন অথবা স্বাধীনতা আন্দোলনে চুব নোৱাৰা তগৰ এগৰাকী গাঁৱলীয়া নাৰী।

তগৰ তগৰ ফুলৰ দৰেই শুভ্ৰ, পবিত্ৰ আৰু নিষ্কলুষ। তাইৰ চৰিত্ৰত অসমীয়া নাৰীৰ পৰম্পৰা বিদ্যমান। তাইৰ বাবে কিতাপ সংস্কৃত ভাষাৰেই হওঁক, অসমীয়া বা ইংৰাজী ভাষাৰেই হওঁক তাত সৰস্বতী থাকে। তাই শাস্ত্ৰক শ্ৰদ্ধা কৰা ছোৱালী। কমলাকান্তই আঙুঠি পিন্ধাওতেও তাই 'আপুনি মোৰ সৰ্বনাশ কৰিলে কিয়?' - বুলি ফেঁকুৰি উঠিছে। কমলাকান্তৰ প্ৰতাৰণাত তাই আহত হৈছে সঁচা, কিন্তু সেইবুলি ধৰণীক অৱহেলা কৰা নাই। সকলো বিধিৰ বিধান বুলি মানি লৈ স্বামী আৰু শাহুৰ প্ৰতি নিজৰ কৰ্তব্য পানী নসৰাকৈ পালন কৰি গৈছে। ধৰণী আৰু শাহুৰেকৰ মৃত্যুৰ পিছত একমাত্ৰ জীয়েকক সাৰথি কৰি নিজৰ হাত দুখনেৰে কষ্ট কৰি দুবেলাৰ ভাত মোকলাইছে। মুঠতে, তগৰ ঘৰ ধৰি যাব পৰা অসমীয়া ছোৱালীৰ অপূৰ্ব নিদৰ্শন।[৩] সেয়েহে সমালোচক ভৱেন বৰুৱাই মন্তব্য কৰিছে - "Tagar, the heroine of the novel is a concrete embodiment of all that was best and purest in the Assamese Society."

**২.০২ 'অন্তৰীপ' উপন্যাসৰ 'মেনকা' :**

অসমীয়া সাহিত্যৰ সুদীৰ্ঘ দিগ্বলয়ত বিশিষ্ট অৰিহণা আগবঢ়োৱা আলোচনী 'ৰামধেনু'ৰ পৃষ্ঠাতেই সাহিত্য জীৱনৰ শুভাৰম্ভ ঘটোৱা ড° ভবেন্দ্ৰ নাথ শইকীয়া সমগ্ৰ অসমীয়া সমাজৰে এটি সু-পৰিচিত নাম। শইকীয়া 'ৰামেধুন' সময়ছোৱাৰ এক উজ্জ্বল তথা প্ৰথিতযশা কথাশিল্পী। 'পথ-নিৰূপণ'-শীৰ্ষক গল্পটিৰে আত্মপ্ৰকাশ কৰা শইকীয়াই

অনেক উচ্চ মানবিশিষ্ট গল্প, উপন্যাস, নাটক, প্ৰবন্ধ, শিশু-সাহিত্য ৰচনাৰে অসমীয়া সাহিত্যলৈ নিজৰ অনুকৰণীয় সেৱা আগবঢ়াই থৈ গৈছে। বিশেষকৈ, অসমীয়া গল্পসাহিত্যৰ সুবিস্তৃত ইতিহাসত তেখেতে এক বিশেষ ধাৰাৰ বাহক। যদিও, গল্পকাৰৰূপে ড° শইকীয়া অধিক প্ৰতিষ্ঠিত, তথাপি স্বীকাৰ্য যে সীমিত সংখ্যক উপন্যাসৰ মাজতেই তেখেত ঔপন্যাসিক হিচাপেও সমানেই প্ৰতিষ্ঠিত। স্কুলীয়া জীৱনতে 'আতংকৰ শেষত' নামৰ ৰহস্যমূলক উপন্যাসৰ জৰিয়তে উপন্যাস জগতত খোজ পেলোৱা ড° শইকীয়াৰ অক্ষয় কীৰ্তি হৈছে- অন্তৰীপ আৰু ৰম্যভূমি। 'মৰমৰ দেউতা' নামৰ শিশু উপন্যাসখনকে ধৰি মুঠ চাৰিখন উপন্যাসৰ স্ৰষ্টা শইকীয়াদেৱক ঔপন্যাসিক ৰূপে প্ৰতিষ্ঠিত কৰে- অন্তৰীপ আৰু ৰম্যভূমিয়েহে।

অসমৰ আগশাৰীৰ পষেকীয়া আলোচনী 'প্ৰান্তিক'ৰ পাতত খণ্ড-খণ্ডকৈ প্ৰকাশিত হৈ 1986 চনত পূৰ্ণগ্ৰন্থৰ ৰূপ গ্ৰহণ কৰা 'অন্তৰীপ' নাৰী মনস্তত্বৰ এক সুন্দৰ নিদৰ্শন। ঔপন্যাসিকে বৰ্ণনাৰ প্ৰাধান্যৰে নাৰীৰ মনোবেদনা, পুৰুষৰ একনায়ত্ববাদী শাসনৰ বিৰুদ্ধে নাৰীৰ গোপনীয়, অসাধাৰণ বলিষ্ঠ প্ৰতিবাদৰ মানসিকতা তথা পুৰুষৰ ভৰিৰ তলত জীৱন পাৰ কৰা নাৰীৰ কৰুণ গাঁথা-আদি দিশসমূহক সাহসিকতাৰে উপন্যাসখনত প্ৰতিফলিত কৰিছে। উপন্যাসখন পঠনৰ সময়ত পাঠকৰ মনক সম্পূৰ্ণৰূপে আন্দোলিত কৰা শইকীয়াদেৱৰ ভাষা তথা বৰ্ণনাশৈলীৰ অসাধাৰণত্বই সময়ে সময়ে এনে এক ধাৰণাক উপলব্ধ কৰায় যেন ঔপন্যাসিকে চৰিত্ৰটো সৃষ্টি কৰাৰ আগতে মানুহজনীৰ মনটোৰ ভিতৰলৈ সোমাই গৈ মনটোক নিৰীক্ষণহে কৰি চাইছে।

উপন্যাসখনৰ কথাবস্তু দুটা অংশত বিভক্ত। দুয়োটি অংশতে অনেক সৰু বৰ চৰিত্ৰ সৃষ্টি হৈছে যদিও ইয়াৰ প্ৰধান আৰু উল্লেখযোগ্য নাৰী চৰিত্ৰ তিনিটা- মেনকা, কিৰণ আৰু চিত্ৰা। ইয়াৰ ভিতৰত মেনকাই হৈছে উপন্যাসখনৰ মূল তথা সবাতোকৈ আকৰ্ষণীয় আৰু গতিশীল চৰিত্ৰ। অসাধাৰণ এই চৰিত্ৰটি নিৰ্মাণতে ঔপন্যাসিকে সবাতোকৈ গুৰুত্ব আৰোপ কৰা যেন বোধ হয়।

দয়াৰাম গায়ন বৰাৰ পাঠশালা পাছ কৰা জীয়েক মেনকাৰ সৰু চহৰখনৰ আঢ্যৱন্ত মানুহ কলঘৰৰ গৰাকী মহীকান্তৰ লগত বিয়া হয়। 'মেনকাৰ গাটোত, মনটোত ক'তো অকণো ঘৃণে নালাগক'- বুলি মাক-দেউতাকে ডাঙৰ কৰা ছোৱালীজনীয়ে মদাহী, অহংকাৰী, পুৰুষ প্ৰধানতাৰ পোষকতা কৰা আদি অসংখ্য বদ্‌গুণৰ ভঁৰাল মহীকান্তক স্বামীৰূপে বৰণ কৰিবলগা হ'ল। কিন্তু পিতাক গায়নৰ মুখত ঘোষা-বৰগীতৰ লগতে সীতা, সাৱিত্ৰী, দময়ন্তীৰ আখ্যান শুনি ডাঙৰ হোৱা মেনকাই এঘাৰ বছৰে নিজৰ চাৰিটা ল'ৰা-ছোৱালীৰে সৈতে মহীকান্তৰ লগত কোনো উচ্‌বিচ

নকৰাকৈ পাৰ কৰে। মহীকান্তই মদৰ ৰাগীত বেহুচ হৈ তাইৰ গাত বটিয়াই দিওঁতে অথবা তাইক মদ কটিয়াই খুৱাওতেও তাই পিতায়েকৰ আদৰ্শৰেই বাট বুলি আছিল। তাৎপৰ্যপূৰ্ণ যে, তেনে এটি মানুহৰ লগত সংসাৰ কৰিও তাই ঘৰখনত, চুবুৰিটোত এনে এক ব্যক্তিত্বৰ অধিকাৰী- যাৰ বাবে অইনৰ কথাটো বাদেই শহুৰেক-শাহুৱেক তথা ভাইশহুৰেকেও তাই কোৱা প্ৰতিটো কথাৰ মৰ্যাদা নিৰ্বিবাদে ৰক্ষা কৰে।

কিন্তু, যিদিনা মহীকান্তই পুনৰ দৰা সাজি অইন এজনী বিয়া কৰাই আনি তাইক তীব্ৰ অপমান কৰিলে সিদিনা মেনকাই যেন চক খাই উঠিল। এই অপমানে তাইৰ মানসিকতাক চূড়ান্ত আঘাত কৰিলে। মহীকান্তৰ ঘৰত থাকিও মহীকান্তৰ লগত তাই সকলো সম্পৰ্কৰ যতি পেলালে। তাৰ পিছত তাই ভিতৰি ভিতৰি জ্বলি থাকিল। তাই হৈ উঠিল তীব্ৰ জেদী, প্ৰতিশোধ পৰায়ণা তথা প্ৰতিবাদী সত্তাৰ অধিকাৰী। মহীকান্তই কিৰণক আনি ঘৰ সুমুৱাই তাইৰ সমুখতে নিজৰ সন্তানৰ মাক কৰা কথাটোৱে তাইক পীড়া কৰিলে। মেনকাই মহীকান্তৰ ওচৰত নিজৰ প্ৰতিবাদ সাব্যস্ত কৰিলে এক অসাধাৰণ, দুঃসাহসী পদ্ধতিৰে। নৈতিকতাক জলাঞ্জলি দি অতি গোপনে সিহঁতৰ চুবুৰিৰে ডেকা মদনৰ সন্তান ধাৰণ কৰি মেনকাই পঞ্চমটি সন্তান জন্ম দিলে, আৰু মহীকান্তক সেই সন্তানৰ পিতৃৰ বিষয়ে সোধাৰ সাহসো নিদিলে। দুঃসাহসিকতাৰে মহীকান্তৰ প্ৰশ্নৰ উত্তৰ মেনকাই দিছে এনেদৰেঃ

“আপোনাৰ হাতী আছিল, ঢোল-ডগৰ আছিল, সেইকাৰণে আপুনি এজনী মানুহ মোৰ আগতে থবহি পাৰে, তাইক মোৰ আগতে কেঁচুৱাৰ মাক কৰিব পাৰে। মোৰ সেইবোৰ নাই। সেইবোৰ নোহোৱাকৈ মই কি কৰিব পাৰো কৰিলোঁ। কথাটো একেটাই। এতিয়া কিমান সহিব পাৰে সহি থাকক। তিলতিলকৈ কথাবোৰ বুজক।”[৪]

মেনকাই নিজৰ জেদ, যুক্তি চিৰকালেই নিজৰ মাজত প্ৰবাহিত কৰি ৰাখিছে। তাইৰ প্ৰতিবাদত মহীকান্ত আহত হৈছে, জীৱনৰ বাকী সময়ছোৱাত যন্ত্ৰণাত দগ্ধ হৈছে। মেনকাই নিজৰ নাৰীমনৰ সমগ্ৰ সাহসেৰে তাক বুজাইছে- ‘সীতা থাকিবলৈ ৰামো থাকিব লাগিব, তেহে।’ মেনকাক আয়ত্তলৈ আনিবলৈ গৈ মহীকান্তই বাৰে বাৰে বিফল হৈছে— তাইৰ প্ৰবল আত্মবিশ্বাসৰ ওচৰত। অৱশেষত সি কিৰণক লৈ নিজেই পুৰণি ঘৰৰ পৰা আঁতৰি গৈছে।

মেনকা এনে এক শক্তিশালী নাৰী চৰিত্ৰ যি কোনোদিনে কাৰো ওচৰতে বশ্যতা স্বীকাৰ কৰা নাই; নৈতিকতাক বিসৰ্জন দিয়া বুলি তাইৰ গ্লানিও নাই। আনকি প্ৰাণতকৈও মৰমৰ বৰপুত্ৰই যেতিয়া মেনকাৰ গোপন অধ্যায়টি জানে বুলি কলিকতাৰ পৰা চিঠি

লিখিছিল, সেই মূহুৰ্তত তাই সামান্য দ্বিধাগ্ৰস্ত হৈছে যদিও পিছ মূহুৰ্ততে পুনৰ নিজৰ স্থানত উপবিষ্ট হৈ উত্তৰ দিছে প্ৰতিবাদী ভাষাৰেঃ

"মই ভুল কৰিলোঁ বুলি তহঁতে ৰামায়ণ-মহাভাৰত পঢ়ি এশখন মুখেৰে ক'লেও মই নামানো। মই একো ভুল কৰা নাই। যি কৰিছিলোঁ বহুত ভাবি-চিন্তি তাৰ পাছত কৰিছিলোঁ।[৫]

উল্লেখযোগ্য যে, মেনকা ঔপন্যাসিক ভবেন্দ্ৰ নাথ শইকীয়াৰ এক অনবদ্য সৃষ্টিৰ নিদৰ্শন। সেইগৰাকী নাৰীয়ে মহীকান্তৰ দুষ্কাৰ্যৰ দুঃসাহসিকতাৰে গোপনে এক অদ্ভুত প্ৰতিবাদ জনাইছে, কিন্তু শহুৰেক-শাহুৰেক, পুত্ৰ-কন্যা কাৰো প্ৰতি পালনীয় কৰ্তব্যত কতো খুঁত ৰখা নাই। যিগৰাকী কিৰণৰ আগমনে তাইৰ সমগ্ৰ জীৱনৰ গতিয়েই সলনি কৰি দিলে, সেই কিৰণৰ তিনিওজনী ছোৱালীকে নিজ পুত্ৰ-কন্যাৰ সমানকৈ মমতাৰ বান্ধোনেৰে আদৰি লৈছে; সেইগৰাকী নাৰীৰ মৃত্যুত নীৰৱে চকুলো টুকিছে। কিন্তু, মহীকান্তক জীৱনৰ শেষ সময়লৈ তেওঁ ক্ষমা কৰা নাই। সেয়ে কিৰণৰ মৃত্যুৰ পিছত ছোৱালী কেইজনী নিজৰ কাষলৈ আনি ধ্ৰুৱক (পঞ্চম সন্তান) মহীকান্তৰ ওচৰলৈ পঠাই দিছেঃ

"সি তেখেতৰ লগত থকাটো বৰ দৰকাৰ। অকল মোৰ মৰমেৰে সি মানুহ হ'ব নোৱাৰিব। শান্তিও সমানে সমানে, কষ্টও সমানে সমানে।"[৬]

আৰ্থিক দিশত স্ব-নিৰ্ভৰশীল নহৈও শাৰীৰিক, মানসিক দক্ষতাৰ ফালৰ পৰা নাৰী পুৰুষতকৈ কোনো গুণে কম নহয় । মেনকা চৰিত্ৰটিৰ মানসিক বিশ্লেষণেৰে ঔপন্যাসিকে তাকেই উন্মোচন কৰিছে। অৱশ্যে, নিজৰ উচ্ছৃংখল স্বামীক প্ৰতিবাদ জনাবলৈ গৈ মেনকাই এক অদ্ভুত পথ বাছি লৈছে। প্ৰাক-স্বাধীনতাকালীন অসমীয়া সমাজত নাৰীৰ এনে প্ৰতিবাদ অবাস্তৱ যেন লাগে; কিন্তু ঔপন্যাসিকৰ অভিজ্ঞ উপস্থাপন দক্ষতাই চৰিত্ৰটোক বাস্তৱ কৰি তুলিছে। মুঠতে, 'মেনকা'- ড° শইকীয়াৰ সৃষ্ট নাৰী চৰিত্ৰসমূহৰ ভিতৰত আটাইতকৈ শক্তিশালী তথা দুঃসাহসী চৰিত্ৰ।

### ৩.০০ উপসংহাৰঃ

দুয়োখন উপন্যাসৰ নায়িকা দুগৰাকীলৈ লক্ষ্য কৰিলে দুয়োগৰাকীৰ মাজতে দুটি ব্যতিক্ৰমী সত্ত্বা পৰিলক্ষিত হয়। 'তগৰ' অসমীয়া সমাজৰ আদৰ্শ নাৰীৰ সাৰ্থক প্ৰতিভু। এই চৰিত্ৰটি ঔপন্যাসিকে অসমীয়া লোকজীৱনৰ পৰা বুটলি আনিছে। আধুনিক ভাবধাৰাৰ স্পৰ্শৰ পৰা তগৰ বহু আঁতৰত। জীৱনৰ বিভিন্ন পৰ্যায়ত লাভ কৰা প্ৰতাৰণা, লাঞ্ছনা, অপমান, দৰিদ্ৰতাই তাইৰ আদৰ্শ, পৰম্পৰাক নিঃশেষ কৰিব পৰা নাই। শৈশৱ আৰু যৌৱনত পিতৃগৃহৰ পৰা বুটলি অনা অসমীয়া পৰম্পৰাক তাই শেষ পৰ্যায়লৈ ধৰি ৰাখিছে।

তাৰ পৰিৱৰ্তে, ‘মেনকা’ পুৰুষ শাসিত সমাজৰ বিৰুদ্ধে ঔপন্যাসিকৰ এক বলিষ্ঠ প্ৰতিবাদ। ত্ৰিশৰ দশকত আৰম্ভ হোৱা অসমীয়া নাৰীবাদী চিন্তাৰ উন্মুক্ত প্ৰকাশ ঘটিছে এই চৰিত্ৰটিৰ মাজেৰে। পুৰুষৰ শোষণ-নিৰ্যাতন, সামাজিক নীতি-নিয়মৰ বান্ধোন মেনকাই ‘তগৰ’ৰ দৰে নিৰ্বিবাদে মানি লোৱা নাই। তাৰ বিপৰীতে তাই গ্ৰহণ কৰিছে বলিষ্ঠ পদক্ষেপ। তদুপৰি, কিবা ভুল কৰিছে বুলি তাইৰ গ্লানিও নাই।

দুয়োগৰাকী নাৰীয়েই অসমীয়া সাহিত্যৰ দুটি ভিন্ন দিশ পাঠকৰ সন্মুখত তুলি ধৰিবলৈ সক্ষম হৈছে; যাৰ মাজেদি প্ৰতিভাত হৈছে অসমীয়া মানুহৰ দুখন ভিন্ন মনোজগত, দুটি ভিন্ন জীৱন-দৰ্শন।

**পাদটীকাঃ**

1. শইকীয়া, নগেন, ‘এশ বছৰৰ অসমীয়া উপন্যাসৰ গতি প্ৰকৃতি’, এশ বছৰৰ অসমীয়া উপন্যাস, নগেন ঠাকুৰ (সম্পা.), পৃ. 3-4
2. শৰ্মা, সত্যেন্দ্ৰ নাথ, অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, পৃ. 3-4
3. —, অসমীয়া সাহিত্যৰ ভূমিকা.
4. শইকীয়া ভবেন্দ্ৰ নাথ, অন্তৰীপ, পৃ. 161
5. উল্লিখিত, পৃ. 295
6. উল্লিখিত, পৃ. 419

**সহায়ক গ্ৰন্থপঞ্জী :**

১. বৰুৱা, বীণা. জীৱনৰ বাটত. গুৱাহাটীঃ বীণা লাইব্ৰেৰী, 2010. প্ৰকাশিত.

২. শইকীয়া, ভবেন্দ্ৰ নাথ. অন্তৰীপ. গুৱাহাটীঃ লয়াৰ্ছ বুক ষ্টল, 1999. প্ৰকাশিত.

৩. শৰ্মা, সত্যেন্দ্ৰ নাথ. অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত. গুৱাহাটীঃ সৌমাৰ প্ৰকাশ, 2010. প্ৰকাশিত.

৪. —. অসমীয়া উপন্যাসৰ ভূমিকা. গুৱাহাটীঃ সৌমাৰ প্ৰকাশ, 1975. প্ৰকাশিত.

৫. —. অসমীয়া উপন্যাসৰ গতিধাৰা. গুৱাহাটীঃ সৌমাৰ প্ৰকাশ, 1982. প্ৰকাশিত.

৬. ঠাকুৰ, নগেন. এশ বছৰৰ অসমীয়া উপন্যাস. গুৱাহাটীঃ জ্যোতি প্ৰকাশন, 2000. প্ৰকাশিত.

**যোগাযোগৰ ঠিকানা:**

সহকাৰী অধ্যাপিকা

অসমীয়া বিভাগ, বঙাইগাওঁ মহাবিদ্যালয়